**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-08-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

ৰাজ্যত আজি ১০ খন নতুন সমজিলা সংযোজন কৰা হ'ব। কামৰূপ, শোণিতপুৰ, যোৰহাট, তিনিচুকীয়া, কাছাৰ আৰু গোৱালপাৰাত সমজিলা সংযোজন কাৰ্যসূচীত কেইবাগৰাকী মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। কামৰূপ জিলাত আজি দুখন সম জিলা গঠন কৰা হ'ব। পলাশবাৰী সমজিলা গঠনৰ বাবে পলাশবাৰী ৰাজহ চক্ৰ কাৰ্যালয় চৌহদত অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী তথা জিলাখনৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ইপিনে, বকো-ছয়গাঁও সমজিলা গঠনৰ কাৰ্যসূচী বকোৰ লোকনিৰ্মাণ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়ত অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী, গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। কাইলৈ শোণিতপুৰ আৰু তিনিচুকীয়াত সমজিলা সংযোজনৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। তিনিচুকীয়াৰ মাকুমত হ'বলগীয়া মাকুম সম জিলাৰ উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ইয়াৰ লগে লগে ৰাজ্যত মুঠ সমজিলাৰ সংখ্যা ৪৯ লৈ বৃদ্ধি পাব। বিগত বৰ্ষৰ অক্টোবৰত প্ৰথম পৰ্যায়ত ৩৯ খন সমজিলা সংযোজন কৰা হৈছিল। প্ৰশাসনিক দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ হিচাপে গঠন কৰা সমজিলাসমূহে ভূমি, ৰাজহ সম্পৰ্কীয় সেৱা, উন্নয়ন আৰু জনকল্যাণমূলক আঁচনি ৰূপায়ণ প্ৰশাসনিক ক্ষমতা, খাদ্য আৰু অসামৰিক যোগান ব্যৱস্থা নিশ্চিত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আঁচনিৰ সফল ৰূপায়ণ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত জনসাধাৰণক প্ৰয়োজনীয় সুবিধা লাভ কৰাত সহায় কৰিব।

oooooo

দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত আজি গোৱা আৰক্ষীৰ নৱ নিযুক্ত ৭০০ গৰাকী কনিষ্টবলৰ দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হ'ব। অনুষ্ঠানত গোৱাৰ মুখ্যমন্ত্ৰী ড০ প্ৰমোদ সাৱন্ত মুখ্য অতিথি হিচাপে আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। এই কাৰ্যসূচীয়ে আন্তঃৰাজ্যিক সমন্বয়ৰ উপৰি অসম আৰক্ষীৰ শৃংখলাবদ্ধ আৰু দক্ষ প্ৰশিক্ষণ ক্ষমতাক প্ৰতিফলিত কৰিছে। আৰক্ষী জোৱানসকলক সন্মান আৰু সততাৰে দেশৰ বাবে সেৱা আগবঢ়াবলৈ সাজু কৰি তোলাৰ বাবে এই পুলিচ একাডেমীত তেওঁলোকক প্ৰায় বছৰজোৰা কঠোৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে লাচিত বৰফুকন পুলিচ একাডেমীত বিগত বৰ্ষৰ ২৩ ডিচেম্বৰত মণিপুৰ আৰক্ষীত নিযুক্ত এহেজাৰ ৯৫৬ গৰাকী কনিষ্টবলক প্ৰশিক্ষণ প্ৰদানৰ অন্তত আড়ম্বৰপূৰ্ণভাৱে দীক্ষান্ত সমাৰোহৰ আয়োজন কৰা হৈছিল।

oooooo

কৃষি মন্ত্ৰী অতুল বৰাই কালি ৰঙামাটি চাহ বাগিছাত চাহ জনগোষ্ঠীৰ লোকসকলৰ স্বাস্থ্য সেৱা উন্নত কৰাৰ লক্ষ্যৰে নিৰ্মাণ কৰা ৰঙামাটি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো উদ্বোধন কৰে। ছখন বিচনাযুক্ত এই চিকিৎসালয়খনত

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ দ্বাৰা এবছৰীয়া গ্ৰাম্য চিকিৎসা সেৱাৰ অধীনত দুগৰাকী চিকিৎসক, এগৰাকী নাৰ্ছ আৰু এজন লেব'ৰেটৰী টেকনিচিয়ানক নিযুক্তি দিয়া হৈছে। সম্প্ৰতি চিকিৎসালখনত বহিঃবিভাগৰ সেৱা উপলব্ধ হ'ব।

০০০০০০

ৰাজ্যৰ মীন আৰু পশু চিকিৎসা মন্ত্ৰী কৃষ্ণেন্দু পালে কালি শ্ৰীভূমি চহৰৰ কৰিমগঞ্জ অসামৰিক চিকিৎসালয়ত চিকিৎসা সেৱা পৰ্যালোচনা কৰে। তেওঁ ৰোগীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে চিকিৎসকসকলৰ সৈতেও কথা পাতে। মন্ত্ৰীগৰাকীয়ে চিকিৎসালয়খনৰ স্বাস্থ্য সেৱাৰ সুবিধাসমূহ শক্তিশালী কৰাৰ বাবে কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰে। এই আলোচনাকালত জিলাখনৰ আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিবেদীকে ধৰি শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

ভৈয়াম, জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগু কালি জনতা ভৱনত অসমৰ জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ নেতৃত্বৰ উপস্থিতিত টিৰাপ জনজাতীয় বেল্টৰ কেইবাটাও জনজাতীয় সংগঠনৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত টিৰাপ জনজাতীয় বেল্টৰ টাংছা, ছেমা, ছিংফৌ আদি ক্ষুদ্ৰ জনজাতিৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ সন্দৰ্ভত আলোচনা কৰা হয়। জনজাতীয় পৰিয়ালৰ ভূমিৰ পট্টা দিয়াৰ বাবে থকা চৰকাৰী নীতি সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে জনজাতীয় নেতৃত্বক অৱগত কৰে।

০০০০০০

ৰাজ্য চৰকাৰে মাদক দ্ৰব্যৰ বিৰুদ্ধে কঠোৰ অভিযান অব্যাহত ৰাখিছে। কাছাৰ আৰক্ষীয়ে কালি ধলাইত অভিযান চলাই বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্য জব্দ কৰাৰ লগতে দুজন মাদকদ্ৰব্য সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। জব্দ কৰা মাদকদ্ৰব্যৰ মূল্য প্ৰায় আঢ়ৈ কোটি টকা হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। এই অভিযানত সোণাৰি বিধানসভা সমষ্টিত ২০২৪-২৫ বৰ্ষত ১ কোটি ২৮ লাখৰো অধিক টকা মূল্যৰ মাদকদ্ৰব্য জব্দ কৰা হয়। এই সময়ছোৱাত এন ডি পি এছ আইনৰ অধীনত ২১ টা গোচৰ পঞ্জীয়ন কৰাৰ লগতে ৪২ জন লোকক আটক কৰা হয়।

০০০০০০

প্ৰয়াত সাংবাদিক নীলিম চৌধুৰীৰ মৃত্যু বাৰ্ষিকী উপলক্ষে কালি ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত নীলিম চৌধুৰী সোঁৱৰণি সাংবাদিকতা বঁটা আৰু সঞ্জীৱ নন্দী যুৱ সাংবাদিকতা বঁটা প্ৰদান কৰা হয়। নিলিম চৌধুৰী সোঁৱৰণি সাংবাদিকতা বঁটা সোণাৰীৰ জ্যেষ্ঠ সাংবাদিক সূৰ্য্য বৰা আৰু সঞ্জীৱ নন্দী সোঁৱৰণি যুৱ সাংবাদিকতা বঁটা ডিব্ৰুগড়ৰ যুৱ সাংবাদিক হিৰণ্য বৰাক প্ৰদান কৰা হয়। অনুষ্ঠানত ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মানস জ্যোতি দত্তৰ পৌৰোহিত্যত অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানত নিলিম চৌধুৰীৰ পৰিবাৰ ড° সুবাসনা মহন্ত চৌধুৰী, ড° শশীকান্ত শইকীয়া, জ্যোতিপ্ৰসাদ কানৈকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

সমাপ্ত